জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩০৫/২০২১

১৫২ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে মহামানৱ গৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

# গান্ধীৰ স্বৰাজ, অহিংসা, সততা আৰু স্বচ্ছতাৰ ধাৰণাক দৈনন্দিন জীৱনত প্ৰতিফলিত কৰিবলৈ ৰাজ্যবাসীক আহ্বান মুখ্যমন্ত্ৰী শৰ্মাৰ

**ৰাজ্য চৰকাৰে খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড শক্তিশালীকৰণৰ বাবে কৰ্মসূচী প্ৰস্তুত কৰিছে ঃ মুখ্যমন্ত্ৰী**

**দিছপুৰ, ২ অক্টোবৰ ঃ** ১৫২ সংখ্যক গান্ধী জয়ন্তী উপলক্ষে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰি কয় যে মহাত্মা গান্ধীয়ে সমগ্ৰ বিশ্বতে অহিংসাৰ বাণী বিলাইছিল। প্ৰতীকি ৰূপত গান্ধী জয়ন্তী পালন কৰাৰ পৰিৱৰ্তে আমি মহাত্মা গান্ধীৰ স্বৰাজ, অহিংসা, সততা আৰু স্বচ্ছতাৰ ধাৰণাক দৈনন্দিন জীৱনত প্ৰতিফলিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষই যুটীয়াভাৱে গান্ধী মণ্ডপত আয়োজন কৰা গান্ধী জয়ন্তীৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে গান্ধীজীৰ অসমৰ সৈতে গভীৰ সম্পৰ্ক আছিল আৰু তেওঁ চাৰিবাৰ অসম ভ্ৰমণ কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধীয়ে প্ৰথম বাৰৰ বাবে অসমলৈ আহিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমত গান্ধীজীয়ে পদাপৰ্ণ কৰাৰ ১০০ বছৰৰ স্মৃতি যুগমীয়া কৰিবলৈ ২০২১ বৰ্ষটো গান্ধীজীৰ অসম আগমণৰ শতবৰ্ষ হিচাপে উদযাপন কৰা হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে অহিংসাৰ পূজাৰী গৰাকীয়ে অহিংসাৰ আদৰ্শ আৰু মানৱতাৰ জৰিয়তে বিশ্বৰ বহু মানুহৰ অন্তৰ জয় কৰিছিল। মহাত্মা গান্ধীয়ে দেখুৱাই যোৱা আদৰ্শৰে আমি আগুৱাই যোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ লগতে কয় যে মহাত্মা গান্ধীৰ অহিংসা নীতিৰ প্ৰতি সন্মান জনাই ৰাষ্ট্ৰসংঘই ২০০৭ বৰ্ষৰ পৰা প্ৰতি বছৰে ২ অক্টোবৰৰ দিনটো আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস ৰূপে পালন কৰি আহিছে। মহাত্মা গান্ধীৰ আদৰ্শ আৰু দৰ্শনক চিৰস্মৰণীয় কৰি ৰখাৰ বাবে তেখেতৰ অহিংসাৰ আদৰ্শৰে ৰাজ্য চৰকাৰে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে।

মহাত্মা গান্ধীৰ স্মৃতি সজীৱ কৰি ৰখাৰ বাবে শৰণীয়া পাহাৰত থকা গান্ধী মণ্ডপত প্ৰেক্ষাগৃহ আৰু সংগ্ৰহালয় স্থাপন কৰি এই ঐতিহাসিক স্থানক নতুন ৰূপ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৪৬ চনত গান্ধীজী অসমলৈ অহাৰ সময়ত শৰণীয়া পাহাৰত জিৰণি লৈছিল। তেওঁ লগতে কয় শৰণীয়া পাহাৰৰ সৈতে গান্ধীজীৰ থকা সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰো এই পাহাৰ খনৰ

সৌন্দৰ্যবৰ্দ্ধনৰ দায়িত্ব আছে। মুখ্যমন্ত্ৰীয়ে পাহাৰখনত কেইবাবছৰ ধৰি বেদখল কৰাসকলক উচ্ছেদ কৰিবলৈ কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে গান্ধী জয়ন্তী উপলক্ষে আয়োজিত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাতো অংশ গ্ৰহণ কৰে। অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, হস্ত তাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, সাংসদ কুইজ ওজা, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডে চানমাৰিত গান্ধী জয়ন্তী উপলক্ষে আয়োজন কৰা অনুষ্ঠানতো অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে গান্ধীজীৰ প্ৰতিমূৰ্ত্তিত পুস্পাঞ্জলি প্ৰদান কৰি মহামানৱ গৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে সাম্প্ৰতিক পৰিস্থিতিত খাদীৰ সম্ভাৱনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধীজীৰ অৰ্থনৈতিক দৰ্শনৰ জৰিয়তে জনসাধাৰণৰে অৰ্থনৈতিক ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাৰাজি সমাধান কৰাৰ যথেষ্ট সমল আছে। তেওঁ কয় যে গান্ধীজীয়ে ঔপনিৱেশিক শাসকৰ বিৰুদ্ধে সামাজিক আৰু অৰ্থনৈতিক দৰ্শনৰ জৰিয়তে যুঁজ দিছিল। সম্প্ৰতি বিভিন্ন শ্ৰেণীৰ জনসাধাৰণক অৰ্থনৈতিক ভাৱে সৱলীকৰণ কৰাৰ দিশত গান্ধীজীৰ অৰ্থনৈতিক দৰ্শনৰ প্ৰয়োগ কৰা হৈছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ অৰ্থনৈতিক উত্তৰণৰ বাবে গান্ধীজীৰ স্বদেশী নীতিৰ প্ৰয়োগ হৈ আহিছে বুলিও তেওঁ কয়।

খাদীৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অৰ্থনৈতিক সুস্থিৰতাৰ বাবে ইয়াৰ প্ৰয়োগৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই ক্ষেত্ৰত খাদী ব'ৰ্ডে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডক শক্তিশালীকৰণৰ বাবে কৰ্মসূচী প্ৰস্তুত কৰিছে যাতে খাদী ব'ৰ্ডে খাদীক আগুৱাই নিয়াৰ লগতে অন্যান্য হস্তশিল্প উৎপাদন আৰু বজাৰ ব্যৱস্থাক শক্তিশালী কৰিব পাৰে। এই কাম কৰিব পাৰিলেহে গান্ধীজীয়ে আত্মনিৰ্ভৰশীলতাৰ প্ৰতি দেখুৱাই যোৱা পথত আগুৱাই যোৱাৰ লগতে তেখেতৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে শেহতীয়া প্ৰযুক্তিৰ সংযোজন সাধন কৰি খাদী ব'ৰ্ডক আধুনিকীকৰণ কৰা হ'ব যাতে নতুন দিশেৰে উৎপাদন কৰি যুৱ প্ৰজন্মৰ মাজলৈ খাদী সামগ্ৰী লৈ যাব পৰা যায়। বিভাগীয় মন্ত্ৰী ইউ জি ব্ৰহ্মৰ নেতৃত্বত খাদী ব'ৰ্ড অধিক শক্তিশালী হৈ উঠিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে খাদী ব'ৰ্ডৰ বিপনীৰ পৰা এটা খাদী চোলাও ক্ৰয় কৰে।

এই অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ডৰ প্ৰাক্তন অধ্যক্ষ কমলা কলিতা আৰু অন্যান্য গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**

**০২-১০-২০২১**